নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক
দৈনিক জনমভূমি
portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi
RNI No. ASSASS/2001/4531 THE DAINIK JANAMBHUMI Guwahati Wednesday November 29, 2017

# হৰিশংকৰ ব্ৰহ্মলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা



গুৱাহাটী, ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ নৱেম্বৰ ঃ দেশৰ প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত হৰিশংকৰ ব্ৰহ্মলৈ ২০১৭ চনৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আজি এই কথা ঘোষণা কৰে। *বাকী পিছলৈ*

*এক পিঠিৰ পৰা* এই বঁটাত আছে পাঁচ লাখ টকা, এখন মান-পত্ৰ আৰু এটি স্মাৰক। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই বঁটা ২০১৫ চনত প্ৰৱৰ্তন কৰিছিল বিশ্ববিদ্যালয়খনে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই বঁটা ইতিপূৰ্বে লাভ কৰিছে দেশৰ প্ৰখ্যাত মহাকাশ বিজ্ঞানী ড° জিতেন্দ্ৰ নাথ গোস্বামী আৰু প্ৰথিতযশা দাৰ্শনিক আৰু শিক্ষাবিদ ড° মৃণাল মিৰিয়ে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই বিশ্ববিদ্যালয়ৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত কৰা এখন সংবাদমেলত ৰাষ্ট্ৰীয় বঁটাৰ কথা ঘোষণা কৰাৰ লগতে ৰাষ্ট্ৰীয় ফেল'শ্বিপ লাভ কৰাসকলৰ নামো ঘোষণা কৰে। তেওঁ কয় যে এই বছৰৰ বাবে দেশৰ বিখ্যাত পৰ্বত আৰোহণকাৰী অৰুণাচলৰ অংচু জামছেনপা আৰু অসমৰ তৰুণ প্ৰজন্মৰ লেখিকা শৰ্মিষ্ঠা প্ৰীতমলৈ এই ফেল'শ্বিপ আগবঢ়োৱা হৈছে। এই ফেল'শ্বিপত দুয়োগৰাকীয়ে দুবছৰৰ বাবে ছয় লাখকৈ টকা লাভ কৰিব। উপাচাৰ্য ড° ডেকাই আৰু কয় যে ফেল'শ্বিপ লাভ কৰা দুয়োগৰাকীকে একোখনকৈ মান-পত্ৰ আৰু স্মাৰক প্ৰদান কৰা হ'ব। তেওঁ আৰু কয় যে কেন্দ্ৰীয় অসামৰিক পৰীক্ষাত (মূল) অৱতীৰ্ণ হ'ব খোজা পাঁচগৰাকী মহিলা প্ৰাৰ্থীক এক লাখকৈ টকা জলপানি প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰ মাহিলি আৰ্থিক অনুদানেৰে গঠিত 'এ পি জে আব্দুল কালাম ষ্টুডেণ্টছ্ ৱেলফেয়াৰ মিছন'ৰ পৰা জলপানি লাভ কৰাসকল ক্ৰমে যশোধৰা দাস, বিপাশা কলিতা, সোমা ৰয়, নম্ৰতা বৰুৱা আৰু স্বপ্না পাৰবিন। সংবাদমেলত উপাচাৰ্যই আৰু কয় যে বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীৰ মাহিলি অনুদানেৰে গঠিত 'মাদাৰ টেৰেছা ছচিয়েল ৱেলফেয়াৰ মিছন'ৰ পৰা ৰাণী উন্নয়ন খণ্ডৰ দুখন গাঁও ক্ৰমে হুলাপাৰা আৰু দক্ষিণ ভোলাপাৰাৰ শৈক্ষিক, সামাজিক পৰিবেশ বিকাশৰ কাম কৰা হৈছে।